# ৰিপাব্লিক অ'ৰ লিবেৰিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমন

চেতেম্বৰ ০৬, ২০১৩

১. ৰিপাব্লিক অ'ৰ লিবেৰিয়াৰ ৰাষ্ট্ৰপতি মহামান্যা শ্ৰীমতী এলেন জনছন চাৰলীফে চেপ্তেম্বৰ মাহৰ ৯ তাৰিখৰ পৰা ১৩ তাৰিখলৈ ভাৰতৰ ৰাষ্ট্ৰপতিৰ আমন্ত্ৰনত চৰকাৰী ভ্ৰমন কাৰ্য্যসূচী লৈ ভাৰত ভ্ৰমনলৈ আহিব ।ৰাষ্ট্ৰপতি গৰাকীৰ লগত আহিব এটা উচ্চ পদস্থ প্ৰতিনিধিৰ দল ।এই প্ৰতিনিধিৰ দলটোত থাকিব লিবেৰিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, বিত্ত,কৃষি,বাণিজ্য আৰু উদ্যোগ,তথ্য,সংস্কৃতি আৰু পৰ্য্যটন,ভূমি,খনি আৰু শক্তি আৰু লিঙ্গ উন্নয়ন মন্ত্ৰনালয়ৰ মন্ত্ৰী সকল। তাৰ উপৰিও জেষ্ঠ্যো চৰকাৰী বিষয়া আৰু শীৰ্ষ বাণিজ্যিক সংস্থা সমুহৰ প্ৰতিনিধি সকলে অংশ গ্ৰহন কৰিব ।

২. ১১ চেপ্তেম্বৰৰ দিনা লিবেৰিয়াৰ ৰাষ্ট্ৰপতি গৰাকীক ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিক ভাৱে আদৰনি জনোৱাৰ লগতে লিবেৰিয়াৰ ৰাষ্ট্ৰপতি গৰাকীৰ সন্মানত এক ভোজমেলৰ (banquet)আয়োজন কৰিছে ।ৰাষ্ট্ৰপতি গৰাকীয়ে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে দুয়োদেশে সমানে গুৰুত্ব আৰোপ কৰা দ্বিপাক্ষীক,আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয়সমূহ আলোচনা কৰিব ।বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে ৰাষ্ট্ৰপতি গৰাকীক সাক্ষা[illegible] কৰিব ।

৩. ফিকি(FICCI), চি আই আই(CII) আৰু এএচএচওচিএইচএম(ASSOCHAM)য়ে যুটিয়াভাৱে আয়োজন কৰা বাণিজ্যিক সন্মিলনত ৰাষ্ট্ৰপতি চাৰলিফে বক্তব্য দাঙি ধৰিব ।

৪.চেপ্তেম্বৰৰ ১২ তাৰিখে ৰাষ্ট্ৰপতি চাৰলিফক শান্তি, নিৰস্ত্ৰকৰন আৰু প্ৰগতিৰ ইন্দিৰা গান্ধি বঁটা প্ৰদান কৰা হব ।আফ্ৰিকা আৰু ইয়াৰ সীমাৰেখাৰ বাহিৰটো নাৰিজগতলৈ উদাহৰন যোগ্য সেৱা আৰু অপৰিসীম প্ৰেৰনা আগবঢ়োৱাৰ উপৰিও লিবেৰিয়াত পুনৰ শান্তি,গনন্ত্ৰত আৰু উন্নয়ন নিশ্চিত কৰাৰ বাবে তেওঁক এই সন্মানীয় বটাঁ প্ৰদান কৰা হব।

৫. ৰাষ্ট্ৰপতি গৰাকীয়ে ষষ্ঠলানি বাৰ্ষিক বাবু জগজীৱন ৰাম মেমৰিয়েল লেকচাৰ অনুষ্ঠানত ভাষন প্ৰদান কৰিব।এই বাৰ্ষিক লেকচাৰ অনুষ্ঠানখনি আয়োজন কৰিব বাবু জগজীৱন ৰাম নেশ্বনেল ফাউণ্ডেশ্বনে।কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলিকৰন মন্ত্ৰনালয়ে বাবু জগজীৱন ৰামৰ জন্ম বাৰ্ষিক উদযাপনৰ বাবে এই অনুষ্ঠানৰটোৰ আয়োজন কৰিব।

৬. অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত চুক্তিবদ্ধ ভাৰত আৰু লিবেৰিয়াৰ মাজৰ সম্বন্ধ নিকটতম আৰু বন্ধুত্বপূৰ্ণ ।লিবেৰিয়াৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদ আৰু দেশখনৰ আন্তগাঠনি আৰু উদ্যোগিক বিকাশৰ চলিত আঁচনি সমুহে দুয়োদেশৰ মাজৰ বাণিজ্য আৰু বিনিয়োগৰ চুক্তি

সমূহৰ ক্ষেত্ৰত অধিক প্ৰাধ্যনতা আৰু তা□পৰ্য্য বহন কৰিছে।বিশেষকৈ চি.আৰ.পি.আৰ(CRPR) ইউনিতৰ ১২৫ গৰাকী মহিলা সদস্য নিযুক্তীৰ বিষয়টোক চৰকাৰ আৰু লিবেৰিয়াৰ জনসাধাৰনে অতি প্ৰশংসা কৰিছে।

৭. ২০১১ চনৰ শান্তিৰ ন'বেল বটাঁকে ধৰি অলেখ সন্মানিয় বটাঁৰে সন্মানিত ৰাষ্ট্ৰপতি চাৰলিফ সমগ্ৰ অঞ্চলটোৰ বাবে এক উষ্চ সন্মানিয় ব্যক্তিত্বৰ গৰাকী।অঞ্চলটোত শান্তি স্থাপন,আৰু গণন্ত্ৰতক অধিক ক্ষমতাশালি কৰাৰ বাবে লিবেৰিয়াই সদায়েই সক্ৰিয় ভূমিকা গ্ৰহন কৰি আহিছে ।

৮. ভাৰতৰ প্ৰতি লিবেৰিয়া বহুলভাৱে সৌহাদ্যপূৰ্ণ । লিবেৰিয়াৰ আঞ্চলিক ঐক্যতাৰ বিষয়ত ইউ.এন(UN)ৰ শান্তি ৰক্ষাৰ অভিযানত ভাৰতৰ অংশ গ্ৰহন কৰা বিষয়টোৱে দুয়োদেশৰ মাজৰ দ্বিপাক্ষীক সম্বন্ধক আৰু অধিক সম্প্ৰসাৰিত কৰিব বুলি আশা কৰা

হৈছে ।